# REGIONAL NEWS UNIT
## AKASHVANI : GUWAHATI

0000000000

**Date :** 27-03-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***

**::::::::::::::::::::::::::::::::**

চলিত বছৰৰ গুণোৎসৱৰ ফলাফলসমূহ আজি ঘোষণা কৰা হয়। এইবাৰৰ গুণোৎসৱত শিৱসাগৰ জিলাই প্ৰথম, গোলাঘাট জিলাই দ্বিতীয় আৰু ডিব্ৰুগড় জিলাই তৃতীয় স্থান লাভ কৰিছে। একেদৰে স্বচ্ছ আৰু সুচাৰুৰূপে গুণোৎসৱৰ কাৰ্যসূচী ৰূপায়ণ কৰাৰ ক্ষেত্ৰত গোলাঘাট জিলাই প্ৰথম, কামৰূপ মহানগৰে দ্বিতীয় আৰু যোৰহাট জিলাই তৃতীয় স্থান লাভ কৰিছে। এইবাৰ ১৩ হাজাৰ ৩০০ খন বিদ্যালয়ে এ প্লাছ্ গ্ৰেড আৰু ১৩ হাজাৰ ৯৯২ খন বিদ্যালয়ে এ গ্ৰেড লাভ কৰিছে। একেদৰে ১৪ লাখ ৬৪ হাজাৰ ৮০৮ গৰাকী শিক্ষাৰ্থীয়ে এ প্লাছ্ গ্ৰেড আৰু ১২ লাখ ছহেজাৰ ৪৪২ গৰাকী শিক্ষাৰ্থীয়ে এ গ্ৰেড লাভ কৰিছে।

এই উপলক্ষে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই যোৱা বছৰৰ গুণোৎসৱত এ প্লাছ্ গ্ৰেড লাভ কৰা ১১ হাজাৰ ৫৯৪ খন বিদ্যালয়ক উৎকৃষ্টতাৰ স্বীকৃতি আৰু ২৫ হাজাৰ টকাকৈ উদ্গনিমূলক অনুদান আগবঢ়ায়। অনুষ্ঠানত আৰোহণ কাৰ্যসূচীৰ অধীনত ৪ হাজাৰ ৩২০ গৰাকী শিক্ষাৰ্থীক টেবলেট প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত এইবাৰৰ গুণোৎসৱত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক প্ৰদৰ্শন উন্নত কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত আলোকপাত কৰে।

**বাইট**

উল্লেখযোগ্য যে ৰাজ্যৰ প্ৰতিগৰাকী শিক্ষাৰ্থীক গুণগত শিক্ষা দানৰ সংকল্পৰে চৰকাৰে ২০১৭ চনৰ পৰা অনুষ্ঠিত কৰি অহা গুণোৎসৱত এইবেলি ৪৪ হাজাৰ ৭৭ খন বিদ্যালয়ৰ ৩৮ লাখ ৯৮ হাজাৰৰো অধিক শিক্ষাৰ্থীৰ বিদ্যায়তনিক মূল্যায়ন কৰা হৈছে।

000

জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ৰ উদ্যোগত অসম জনজাতি আৰু অনুসূচিত জাতি গৱেষণা প্ৰতিষ্ঠানে আজিৰ পৰা ২৯ মাৰ্চলৈ গুৱাহাটীৰ নেডফী অভিৰ্ৱতন কেন্দ্ৰত আয়োজন কৰা ৰাষ্ট্ৰীয় জনজাতি চলচ্চিত্ৰ আৰু সাহিত্য মহোৎসৱ আজি ভৈয়াম আৰু জনজাতীয় পৰিক্ৰমা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে উদ্বোধন কৰে। ধৰ্তি আৱা ভগৱান বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তীৰ সৈতে সংগতি ৰাখি এই মহোৎসৱৰ আয়োজন কৰা হৈছে।

সাহিত্য মহোৎসৱত পদ্মশ্ৰী সন্মানেৰে বিভূষিত অনিল বড়ো আৰু পেট্ৰিচিয়া মুখিমকে ধৰি ভালেসংখ্যক বিশিষ্ট সাহিত্যিকে অংশগ্ৰহণ কৰিব। এই মহোৎসৱত চলচ্চিত্ৰ আৰু সাহিত্যৰ জৰিয়তে জনজাতি সম্প্ৰদায়সমূহৰ বৰ্ণাঢ্য সাংস্কৃতিক ঐতিহ্যক উদযাপন কৰা হ'ব। এই মহোৎসৱে নাগৰিকসকলক জনজাতীয় সমাজৰ চহকী ঐতিহ্য আৰু কলা সংস্কৃতিৰ সৈতে পৰিচয় কৰাই দিয়াত বিশেষ ভূমিকা পালন কৰিব বুলি ডাঃ পেগুৱে আশা প্ৰকাশ কৰে।

000

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণিলৈ মাজত তিনিটা দিন বাকী থকা অৱস্থাত বিভিন্ন ৰাজনৈতিক দলে ব্যাপক ৰূপত প্ৰচাৰ অব্যাহত ৰাখিছে। পৰিষদৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলাৰ নিৰ্বাচন হ'বলগীয়া ৩৩ টা সমষ্টিৰ বাবে আজিও কেইবাগৰাকীও নেতাই প্ৰচাৰ অভিযানত অংশ লয়। সমষ্টিকেইটাত বিজেপি, ৰাভা হাছং যৌথ সংগ্ৰাম সমিতি আৰু অসম গণ পৰিষদ দলে ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। কংগ্ৰেছ দলৰ লগতে অন্যান্য ৰাজনৈতিক দল আৰু নিৰ্দলীয় প্ৰাৰ্থীয়েও প্ৰচাৰ তীব্ৰ কৰি তুলিছে। জ্যেষ্ঠ বিজেপি নেতা তথা মন্ত্ৰী অশোক সিঙহালে গোৱালপাৰা জিলাত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। মন্ত্ৰীগৰাকীয়ে আজি দদান পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী দিবাকৰ ৰাভাৰ হৈ প্ৰচাৰ চলোৱাৰ লগতে আন চাৰিটা সমষ্টিটো মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছ দলৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰাইও আজি গোৱালপাৰা জিলাত নিজৰ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়।

পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। বিজেপি আৰু কংগ্ৰেছ দলে আজি জিলাখনৰ নিৰ্বাচন হ'বলগীয়া সমষ্টি কেইটাত প্ৰচাৰ অভিযানত অংশ লয়।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

ooo

সমাগত বি টি চি নিৰ্বাচনত অসম গণ পৰিষদ দলে অকলে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। এই নিৰ্বাচন সন্দৰ্ভত কালি চিৰাং জিলাৰ বিজনীত অনুষ্ঠিত দলটোৰ এখন প্ৰতিনিধি সভাত দলৰ নেতৃবৰ্গই এই কথা প্ৰকাশ কৰে। দলটোৱে বি টি আৰত থকা অজনজাতীয় লোকৰ নিৰাপত্তা, সম উন্নয়ন আৰু সমবিকাশৰ পৰা বঞ্চিত বুলি অনুভৱ কৰা লোকসকলৰ স্বাৰ্থত এই নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি দলৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক ধনেশ্বৰ দাসে প্ৰকাশ কৰে।

ooo

গুৱাহাটী মহানগৰীৰ সমীপৰ সোণাপুৰৰ যোগদলত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত তিনিজন যুৱকৰ মৃত্যু হয়। নিহত যুৱককেইজন মৰিগাঁও জিলাৰ মৈৰাবাৰীৰ মুস্তাক আহমেদ, ছাকিল আহমেদ আৰু ছৰিফুল ইছলাম বুলি জানিব পৰা গৈছে। ঈদৰ বাবে নিজৰ দোকানৰ সামগ্ৰী ক্ৰয় কৰিবলৈ দোকমোকালিতে এই যুৱক তিনিজন মৈৰাবাৰীৰ পৰা গুৱাহাটী মহানগৰীলৈ এখন বাহনেৰে ৰাওনা হৈছিল। সোণাপুৰৰ যোগদলত তেওঁলোকৰ বাহনখনে ৰাষ্ট্ৰীয় ঘাইপথত ৰখাই থোৱা এখন ট্ৰাকৰ পিছফালে খুন্দা মৰাৰ ফলত যুৱক তিনিজনৰ মৃত্যু হয়। মৃত যুৱক তিনিজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

ooo

সমাপ্ত